# পাঠ :১১

# যুঁজ - ড ০ মৃণাল কলিতা

---

## ভাব বিষয়ক :

প্ৰশ্ন ১। অতি চমুকৈ উত্তৰ লিখা :

( ক ) কাৰ বেগৰ পৰা টকা চুৰ হৈছিল ?

উত্তৰঃ প্ৰশান্তৰ বেগৰ পৰা টকা চুৰ হৈছিল ।

( খ ) সিদ্ধাৰ্থহঁতৰ শ্ৰেণী শিক্ষক গৰাকীৰ নাম কি ?

উত্তৰঃ সিদ্ধাৰ্থহঁতৰ শ্ৰেণী শিক্ষক গৰাকীৰ নাম হ'ল- মহেন্দ্ৰ ।

( গ ) নিৰ্মলে কাক বিচাৰি দোকানলৈ গৈছিল ?

উত্তৰঃ নিৰ্মলে সিদ্ধাৰ্থক বিচাৰি দোকানলৈ গৈছিল ।

( ঘ ) সিদ্ধাৰ্থই পেঞ্চিল বক্সত কি সাঁচি থৈছিল ?

উত্তৰঃ সিদ্ধাৰ্থই পেঞ্চিল বক্সত বাপেকে দিয়া চকলেটৰ কাগজ সাঁচি থৈছিল ।

( ঙ ) নিৰ্মলে কিয় বহুদিনৰ বাবে বাহিৰলৈ যাবলগীয়া হৈছিল ?

উত্তৰঃ নিৰ্মলৰ দেহত হোৱা জটিল ৰোগৰ চিকিৎসাৰ বাবে বহুদিনৰ বাবে বাহিৰলৈ যাবলগীয়া হৈছিল ।

প্ৰশ্ন ২। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

( ক ) সিদ্ধাৰ্থই কিয় প্ৰশান্তৰ বেগৰ পৰা পইচা চুৰ কৰিছিল ?

উত্তৰঃ সিদ্ধাৰ্থ মাক বাপেকে সকলো সময়তে কাজিয়া কৰি আছিল আৰু অৱশেষত বাপেকে সিহঁতক এৰি থৈ ক'ৰবালৈ গুচি গ'ল । মাকেও তাৰ কোনো যত্ন নোলোৱা হ'ল । সি মনত দাৰুণ আঘাত পাই দোকানীজনৰ কুপৰামৰ্শ ক্ৰমে মনৰ এই অশান্তি , দুখ দূৰ কৰিবলৈ চিগাৰেট হুপিবলৈ আৰম্ভ কৰে । চিগাৰেট কিনিবলৈ পইচাৰ অভাৱত সিদ্ধাৰ্থই বেগৰ পৰা পইচা চুৰি কৰিছিল ।

( খ ) কি কি কাৰণত সিদ্ধাৰ্থ নিচাসক্ত হৈ পৰিছিল ?

উত্তৰঃ সিদ্ধাৰ্থ বুজা হোৱা বয়সৰ পৰাই সি দেখিছিল – তাৰ মাক - বাপেকৰ মাজত দুৰ্বাদল কাজিয়া । প্ৰচণ্ড চিঞৰ - বাখৰ , গালি - গালাজ আদিয়ে তাক বিতত কৰি তুলিছিল । অবশেষত বাপেকে এদিন সিহঁতক এৰি ক'ৰবালৈ গুচি গ'ল । মাকৰ পৰাও সি পাবলগীয়া মৰম - চেনেহ আলপৈচান নেপায় ; তাৰ প্ৰতি মাকৰ মনোযোগ একেবাৰে নোহোৱা হৈ পৰাত সি অন্তৰত দাৰুণ আঘাত পায় , ভীষণ অশান্তি ভুগিবলৈ ধৰে । তাৰ এনে অবস্থাৰ উমান পাই দুষ্ট বুদ্ধিৰ দোকানীজনৰ কু পৰামৰ্শত মনৰ অশান্তি দূৰ কৰিবলৈ প্ৰথমে চিগাৰেট আৰু পিছত ড্ৰাগছ আদি নিচা জাতীয় বস্তু ব্যৱহাৰ কৰিবলৈ ধৰিলে । সি নিচাসক্ত হৈ পৰিল ।

( গ ) নিৰ্মলে সিদ্ধাৰ্থক বিচাৰি কিয় পাণ দোকানখনলৈ গৈছিল ?

উত্তৰঃ সিদ্ধাৰ্থই আগতে নিৰ্মলহঁতৰ লগত হাঁহিছিল , খেলিছিল । কেইমাহ মানৰ পৰা সি গহীন , খিংখিঙীয়া আৰু বেপৰোৱা হৈপৰিছে ,- বন্ধুসকলৰ পৰা আঁতৰি শ্ৰেণীত পিছফালে বহিবলৈ লৈছে , শিক্ষকে কৰিবলৈ দিয়া ঘৰৰ কাম প্ৰায়েই নকৰে , আনকি মাজে মাজে স্কুলো খতি কৰে । নিৰ্মলে তাৰ মাক - দেউতাকৰ বিষয়ে কিছু কথা ইকাণ - সিকাণকৈ শুনিছে । নিৰ্মলে ভাবিছিল তাৰ পৰিবৰ্তন চাগে সেইবোৰ কাৰণতে হৈছে । হয়তো সেই কথাও সঁচা । কিন্তু এই ৰহস্যময় পাণ দোকনত তাৰ সঘন উপস্থিতিয়ে যেন নিৰ্মলক দুৰ্বোধ্য সাথৰৰ মাজলৈ টানি লৈ গ'ল । এই সাঁথৰৰ সমাধান , এই ৰহস্য উদ্ঘাটন কৰিব লাগিব । এই ৰহস্যৰ পকনীয়াত আপোন বন্ধু এজনক হেৰাই যাবলৈ দিব নোৱাৰি । সেই কাৰণেই নিৰ্মলে সিদ্ধাৰ্থক বিচাৰি পাণ দোকানখনলৈ গৈছিল ।

( ঘ ) সিদ্ধাৰ্থই প্ৰথমতে কিয় নিৰ্মলৰ মুখামুখি হ'ব খোজা নাছিল ?

উত্তৰঃ সদায় নিৰ্মলহঁতৰ লগত হাঁহি ধেমালি কৰা সিদ্ধাৰ্থ কেইমাহ মানৰ পৰা গহীন , খিংখিঙীয়া আৰু বেপৰোৱা হৈ পৰা , সিহঁতক এৰি শ্ৰেণীত পিছফালে বহা আৰু শিক্ষকে কবিব দিয়া ঘৰৰ কাম প্ৰায়ে নকৰা আদি পৰিবৰ্তন লক্ষ্য কৰি নিৰ্মলে আপোন বন্ধু সিদ্ধাৰ্থক বাৰে বাৰে সুধিছিল— “ তোৰ কি হৈছে মোক ক'বই লাগিব সিদ্ধাৰ্থ । ” সিদ্ধাৰ্থই নিৰ্মলৰ দৰে তাক অতিকৈ ভাল পোৱা বন্ধু , তাৰোপৰি মনৰ শান্তি পাবলৈ বুলি পাণ দোকানখনত চিগাৰেট হুপি থকা অৱস্থাতে ধৰা পৰাত অতিকৈ লজ্জিত হোৱাত নিৰ্মলৰ প্ৰশ্নৰ উত্তৰ দিব পৰা নাছিল । সি ভাবিছিল মহেন্দ্ৰ মাষ্টৰৰ কৰ্কশ - কঠোৰ বাক্যবাণৰ মুখামুখি হোৱা সহজ হ'লেও নিৰ্মলৰ দৰে ইমান ভাল বন্ধু এজনৰ মুখামুখি হোৱা সহজ নহয় । তাৰ দৰে ল'ৰাৰ কথাৰ উত্তৰ দিব নোৱাৰি সিদ্ধাৰ্থই প্ৰথমতে নিৰ্মলৰ মুখামুখি হ’ব খোজা নাছিল ।

( ঙ ) নির্মলৰ জটিল ৰোগৰ কথা জানি সিদ্ধাৰ্থই কি কৈছিল ?

উত্তৰঃ নির্মলৰ জটিল ৰোগৰ কথা জানি সিদ্ধাৰ্থ প্ৰচণ্ড আঘাতত যেন নিৰ্বাক নিস্পন্দ হৈ পৰিল । কি ক'ব ভাবি পোৱাৰ আগতেই নির্মলৰ কোমল শব্দবোৰ আন্ধাৰ উজাই আহি তাৰ কাণত বাজিল— “ বাধা দিবলৈ , বুজাবলৈ , সাহস দিবলৈ মই নাথাকিলেও তই সেই পাণ দোকানখনলৈ নাযাবি । ”
সিদ্ধাৰ্থৰ বুকুখন মোচৰ খাই উঠিল। সি নির্মল হাত এখনত খামুচি সেপ ঢুকি ক'লে— “ মই নিশ্চয় চেষ্টা কৰিম নির্মল । চকুৰ সমুখত নাথাকিলেও মোৰ বুকুৰ ভিতৰৰ পৰাই তই মোক বাধা দি থাকিবি , – মই জানো ।

প্ৰশ্ন ৩। “ তোৰ কি হৈছে , মোক ক'বই লাগিব সিদ্ধাৰ্থ । ” — নির্মলৰ এই কথাখিনিয়ে সিদ্ধাৰ্থক কেনেকৈ প্ৰভাৱিত কৰিছিল ?

উত্তৰঃ সিদ্ধাৰ্থ মন , কাম কাজ আৰু স্বভাৱ , চাল - চলনৰ পৰিবৰ্তন দেখি সিদ্ধাৰ্থ আপোন বন্ধু নির্মল বৰকৈ চিন্তিত হৈ পৰিছিল । পাণ দোকানখনত চিগাৰেট হুপি থকা নির্মলে মাতি আনি প্ৰশান্তৰ বেগৰ পৰা টকা চুৰি কৰি অনাৰ কথাকে ধৰি তাৰ কিয় এনে হৈছে ক’বলৈ টানি ধৰিছিল । এই কথাৰ উত্তৰ নিদি সিদ্ধাৰ্থই দৌৰি গৈ বাছত উঠাৰ সময়তো নির্মলে কৈছিল । “ তোৰ কি হৈছে মোক ক'বই লাগিব সিদ্ধাৰ্থ । ”

ইয়াৰ পিছত সিদ্ধাৰ্থ এসপ্তাহলৈ বিদ্যালয়লৈ যোৱা নাই , —গলেই নির্মলক লগ পাব । সেই কাৰণে যাবলৈ সাহ হোৱা নাই । নির্মলৰ কথাষাৰ তাৰ যন্ত্ৰণাদগ্ধ বুকুৰ মাজত বাজি শান্তিৰ সংগীত হৈ ৰৈছে । সিদ্ধাৰ্থই অনুভৱ কৰিছে “ তোৰ কি হৈছে মোক কবই লাগিব সিদ্ধাৰ্থ । ” — এইষাৰ কথা কব পৰা মানুহবোৰেই তাৰ জীৱনৰ পৰা বহুদূৰলৈ গুচি গ'ল । এইষাৰ কথা উত্তৰ দিব নোৱাৰি অস্বস্তিকৰ মৌনতাৰ মাজত সিদ্ধাৰ্থ ছটফটাই থাকিল ।

প্ৰশ্ন ৪। সিদ্ধাৰ্থই কিয় নিঃসংগতাত ভুগিছিল , বুজাই লিখা ।

উত্তৰঃ সিদ্ধাৰ্থই বুজা হোৱাৰ পৰাই দেখিছিল মাক - দেউতাকৰ দুৰ্বাদল কাজিয়া , চিঞৰ বাখৰ , গালি - গালাজ । সি নিঃচুপ হৈ সকলো লক্ষ্য কৰিছিল আৰু দাৰুণ অশান্তিত ভুগিছিল । এনেতে এদিন দেউতাকে সিহঁতক এৰি গুচি গ'ল । মাকৰ পৰা পাবলগীয়া মৰমবোৰ সি নোপোৱা হ'ল । ঘৰুৱা এই ঘটনাই তাক বিদ্ৰোহী , খিংখিঙীয়া কৰি তুলিলে । সদায় লগৰীয়াৰ লগত হাঁহি - ধেমালি কৰি থকা সিদ্ধাৰ্থৰ মুখৰ হাঁহি নোহোৱা হ'ল । অতি খঙাল আৰু কঠোৰ শাসন কৰা শিক্ষকৰ কথাতো সি টান মুখে উত্তৰ দি প্ৰতিবাদ কৰিব পৰা হ'ল । মনৰ এনে হতাশ আৰু অশান্তি দূৰ কৰিবৰ বাবে পাণ দোকানীয়ে দিয়া কু - পৰামৰ্শত সি চিগাৰেট হুপিবলৈ ধৰিলে । ড্ৰাগছত ধৰিলে । এইবোৰ কাৰণতে সিদ্ধাই শ্ৰেণীতে কাৰো লগত নবহি একেবাৰে শেষৰ বেঞ্চত বহিবলৈ ল'লে। তাৰ কি হৈছে— সেই কথা ক'বই লাগিব  বুলি তাৰ অতি আপোন বন্ধু নির্মলে টানি ধৰাত নির্মলকো সি এৰাই চলিব ধৰিলে । তাৰ কথা বতৰা , চাল - চলন , আচাৰ - ব্যৱহাৰৰ পৰিবৰ্তন ঘটিল , কাৰো লগত নিমিলা হ’ল । কোনে তাক

মনৰ এই অশান্তি , হতাশা , দুখ - বেদনা দূৰ কৰিব আদি চিন্তাই তাক অতিষ্ঠ কৰি তুলিছিল । এইবোৰ কাৰণতেই সিদ্ধাৰ্থই নিঃসংগতাত ভুগিছিল ।

প্ৰশ্ন ৫। নিৰ্মলে কেনেদৰে সিদ্ধাৰ্থক ভুল বাটৰ পৰা আঁতৰাই আনিছিল বিৱৰি লিখা ।

উত্তৰঃ সিদ্ধাৰ্থ আছিল নিৰ্মলৰ সহপাঠী আৰু অতি অন্তৰংগ আপোন বন্ধু । ঘৰুৱা সমস্যাই সিদ্ধাৰ্থক পঢ়া - শুনাত বাধা দিয়াৰ উপৰিও হতাশাত অন্তৰ অস্থিৰ কৰি তুলিছিল । ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ অতি বেয়া মনৰ পাণ দোকানীজনৰ কথামতে মনত শান্তি পাবলৈ , হতাশ ভাব আঁতৰাবলৈ , সি প্ৰথমে চিগাৰেট হুপিবলৈ আৰম্ভ কৰে আৰু তাৰ পিছত ড্ৰাগছত ধৰে ।

এই অধঃপতিত অৱস্থাৰ পৰা ; ভুল বাটৰ পৰা আঁতৰাই আনিবলৈ নিৰ্মল দৃঢ় সংকল্প হৈছিল । এজন আপোন বন্ধু এনেদৰে ভুল বাটে আগবঢ়াত নিৰ্মল অতিকৈ উদ্বিগ্ন আৰু দুখিত হৈছিল ।

পাণ দোকানখনলৈ সঘনাই সিদ্ধাৰ্থ গৈ থকাত নিৰ্মলে কিবা ৰহস্যৰ গোন্ধ পাই তালৈ গৈ দেখিলে সিদ্ধাৰ্থই তাত চিগাৰেট হুপি আছে । তাক তাৰ পৰা মাতি আনি সি কিয় এনেকুৱা হৈছে , তাৰ কি হৈছে তাক ক'বলৈ টানি ধৰিছিল । এই কথাৰ কোনো উত্তৰ নিদি সিদ্ধাৰ্থ গুচি গ'ল যদিও এদিন তাক অকলশৰে মাতি নি সকলো কথা সুধিলে । সিদ্ধাৰ্থই এজন আপোন বন্ধুৰ কথা এৰাব নোৱাৰি তাৰ দুখৰ কাহিনী বিবৰি ক'লে ।

তেতিয়া নিৰ্মলে সিদ্ধাৰ্থক বুজাইছিল যে আচল কথা হ'ল মনটো । মনে জীৱনটোক ভাল পাব লাগিব । জীৱনটোক ভাল পালে প্ৰকৃতিৰ সকলোৱেই মানুহক আপোন কৰি লয় ।এইবোৰ ভালপোৱা মানুহ কেতিয়াও নিঃস্ব , শূন্য নহয় । আচলতে মন গ'লেই সুখী হ'ব পাৰি । গল্প , উপন্যাস লিখিব নোৱাৰিলেও সেইবোৰ পঢ়ি আনন্দ পাব পাৰি , গান গাব নাজানিলেও গান শুনি প্ৰাণত সুখ পাব পাৰি ।

সকলো মানুহৰেই জীৱনবোৰ একো একোখন যুঁজ । নিৰ্মলে সিদ্ধাৰ্থক বুজাই শেষত ক'লে- " অহা সপ্তাহত মই বাহিৰলৈ যাম — বহুদিনৰ বাবে । মোৰ দেহত এটা জটিল ৰোগ বুজিছ । ময়ো খুঁজিছো। সবেই খুঁজে , – মাথোঁ সকলোৰে যুঁজবোৰ বেলেগ বেলেগ । " — আৰু কলে- " বাধা দিবলৈ , বুজাবলৈ , সাহস দিবলৈ মই নাথাকিলেও তই সেই পাণ দোকানখনলৈ নাযাবি । " সিদ্ধাৰ্থৰ বুকুখন যেন মোচৰ খাই উঠিল । সি নিৰ্মলৰ হাতখনত খামুচি ধৰি আবেগেৰে ক'লে— " মই নিশ্চয় চেষ্টা কৰিম নিৰ্মল । চকুৰ সন্মুখত নাথাকিলেও মোৰ বুকুৰ ভিতৰৰ পৰাই বাধা দি থাকিবি ,মই জানো ।" এনেদৰে নিৰ্মলে সিদ্ধাৰ্থক ভূল বাটৰ পৰা আনিবলৈ চেষ্টা কৰিছিল ।

প্ৰশ্ন ৬। " তাৰ দৰে ল'ৰাৰ কথাৰ উত্তৰ দিব নোৱাৰি ; অস্বস্তিকৰ মৌনতাৰ মাজত মাথোঁ ছটফটাবহে পাৰি"– কথাষাৰৰ অন্তৰ্নিহিত ভাব বিশ্লেষণ কৰা ।

উত্তৰঃ কেইমাহ মানৰ পৰা নিৰ্মলে লক্ষ্য কৰিছিল সিদ্ধাৰ্থ গহীন , থিংথিঙীয়া আৰু বেপৰোৱা হৈ পৰিছে , বন্ধুসকলৰ পৰা আঁতৰি শ্ৰেণীত পিছফালে বহিবলৈ লৈছে , শিক্ষকে কৰিবলৈ দিয়া ঘৰৰ কাম প্ৰায়েই নকৰে ; আনকি মাজে মাজে সি স্কুলো খতি কৰে । তাৰোপৰি সঘনে সি ওচৰৰ পাণ দোকানখনলৈ যায় । পাণ দোকানলৈ সি কিয় যায় এই কথাৰ ৰহস্য এদিন নিৰ্মলে ভেদ কৰিলে । সিদ্ধাৰ্থক বিচাৰি গৈ নিৰ্মলে দেখিলে – সিদ্ধাৰ্থই চিগাৰেট হুপি আছে ।

এদিন নিৰ্মলে সিদ্ধাৰ্থক পাণ দোকানখনৰ পৰা মাতি আনি সুধিছিল– সি কিয় প্ৰশান্তৰ বেগৰ পৰা টকা চুৰি কৰিলে , কিয় সি চিগাৰেট হুপিবলৈ লৈছে ? ইয়াৰ কোনো উত্তৰ সিদ্ধাৰ্থই নিৰ্মলক দিব পৰা নাছিল । নিৰ্মল আছিল সিদ্ধাৰ্থৰ অতি আপোন বন্ধু । তাৰ পৰা কোনো উত্তৰ নাপাই নিৰ্মলে পুনৰ তাক কৈছিল— “ তোৰ কি হৈছে মোক ক'বই লাগিব সিদ্ধাৰ্থ । ”

সিদ্ধাৰ্থই নিৰ্মলৰ এই কথাৰ উত্তৰ নিদি ততাতৈয়াকৈ বাহুত উঠি আঁতৰি গ'ল । ইয়াৰ পিছত সিদ্ধাৰ্থ এসপ্তাহমান বিদ্যালয়লৈ যোৱা নাই যাবলৈ তাৰ সাহস হোৱা নাই । নিৰ্মলৰ কথাষাৰ তাৰ যন্ত্ৰণাদগ্ধ বুকুৰ মাজত বাজি শান্তিৰ সংগীত হৈ ৰৈছে । এইষাৰ কথা ক’ব পৰা মানুহ তাৰ জীৱনৰ পৰা বহুদূৰলৈ গুচি গ'ল ।

মহেন্দ্ৰ মাষ্টৰৰ কৰ্কশ কঠোৰ বাক্যবাণৰ মুখামুখি হোৱা যেন সহজ — তাৰ দৰে বেপৰোৱা উদণ্ড ল’ৰা এজনৰ বাবে চকুত চকু থৈ সেই আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়াও সহজ কিন্তু নিৰ্মলৰ দৰে তাৰ প্ৰতি অতিপাত ভাল পোৱা অন্তৰঙ্গ বন্ধু এজনৰ মুখামুখি হোৱা সহজ নহয় । তাৰ দৰে ল'ৰাৰ কথাৰ উত্তৰ দিব নোৱাৰি , নিজৰ অন্তৰৰ সকলো কথা খুলি ক'বলৈ সাহস গোটাব নোৱাৰি , নিজকে অতি হীন বুলি অনুভৱ কৰি অতি অস্বস্তিকভাৱে সি মনে মনে থাকিব লগা হ'ল । খুলি ক'ব নোৱৰা বেদনাত সি ছটফটাই থাকিল ।

প্ৰশ্ন ৭। “ হাঁহিব নোৱাৰি , খেলিব নোৱাৰি , শুব নোৱাৰি — ইমানেই তীব্ৰ সেই শূন্যতাৰ ভাৰ - দুখৰ দাহন ” —কথাষাৰ কাৰ বিষয়ে আৰু কিয় কোৱা হৈছে বুজাই লিখা ।

উত্তৰঃ সমনীয়া বন্ধুৰ লগত সদায় হাঁহি - ধেমালি কৰি থকা সিদ্ধাৰ্থ যেতিয়া মাক দেউতাকৰ অনবৰতে লাগি থকা কাজিয়া , চিঞৰ - বাখৰ , গালি - গালাজবোৰ নীৰবে শুনি আছিল আৰু অৱশেষত দেউতাকে এদিন সিহঁতক এৰি আঁতৰি গুচি গ'ল , —তাৰ পিছতো সি মাকৰ পৰা পাব লগা মৰমখিনিও নোপোৱা হ'ল , সি হৈ পৰিল গহীন , থিংথিঙীয়া , বেপৰোৱা , বন্ধুৰ পৰা আঁতৰি শ্ৰেণীত পিছফালে বহিবলৈ ধৰা এজন অকলশৰীয়া ল'ৰা ।

ইয়াৰ পিছত দেউতাকে সপ্তাহ - পষেকৰ মূৰে মূৰে আহি তাক স্কুল ছুটীৰ পিছত লগ ধৰি চকলেট আদি দিছিল । তথাপি সি শান্তি পোৱা নাছিল । অকলশৰীয়াভাৱে এন্ধাৰ কোঠাত সোমাই বিছনাত পৰি থাকে । উজাগৰ ৰাতিবোৰত তাৰ চকুৰ পানী শুকাই গৈছিল , মচি দিব পৰাকৈ মাকৰ কোমল হাত দুখনতো সি অভাৱ অনুভৱ কৰিছিল । দেউতাকে দিয়া চকলেটবোৰৰ কাগজবোৰ তাৰ পেঞ্চিল বক্সত ভৰাই থওঁতে বক্সটো ভৰি গৈছিল আনহাতে তাতকৈওঁ সোনকালে ভৰি পৰিছিল তাৰ বুকুখন অসহনীয় শূন্যতাৰে । সেই শূন্যতাৰ ভাৰ-

দুখৰ দহন ইমানেই তীব্ৰতৰ আছিল যে সি হাঁহিব নোৱাৰে , শুব নোৱাৰে , খেলিব নোৱাৰে । অসহনীয়া বেদনা আৰু শূন্যতাই সিদ্ধাৰ্থক অস্থিৰ কুৰি তুলিছিল ।

প্ৰশ্ন ৮। সিদ্ধাৰ্থই কিহৰ তাড়নাত মাকৰ খাৰুযোৰ চুৰি কৰিছিল আৰু তাৰ কিয় অন্তৰ্দহন হৈছিল — বুজাই লিখা ।

উত্তৰঃ অশান্ত মনৰ দুখ - বেদনা , হতাশা আঁতৰাবলৈ পাণ দোকানীজনৰ কুপৰামৰ্শ ক্ৰমে সিদ্ধাৰ্থই চিগাৰেট হুপিবলৈ আৰম্ভ কৰিছিল । সি অনুভৱ কৰিলে নিষিদ্ধ ড্ৰাগছ খালে সি মনত আৰু শান্তি পাব । সেয়ে ড্ৰাগছ ব্যৱহাৰ কৰাৰ প্ৰবল তাড়নাতে টকাৰ অভাৱী সিদ্ধাৰ্থই মাকৰ খাৰুযোৰ চুৰি কৰিছিল ।

খাৰুষোৰ চুৰি কৰি মনে মনে গৈ ড্ৰাগছৰ কাৰণে পাণ দোকানীজনৰ হাতত তুলি দিয়াৰ সময়তে সিহঁতৰ ঘৰত কাম কৰি থকা ছোৱালীজনীক চুৰি কৰাৰ সন্দেহত পুলিচে লকআপত ভৰাই থলে নি ।

বেচেৰী ছোৱালীজনীৰ কথা ভাবি অন্তৰ্দ্বন্দ্ব হৈছিল তাৰ । ছোৱালীজনীৰ কৰুণ মুখখনি আৰু নিচাৰ প্ৰতি তীব্ৰ আসক্তি -- এই সকলোবোৰৰ টনা - আজোৰাৰ মাজেৰে এটা বিনিদ্ৰ ৰাতি পাৰ কৰি এসময়ত সি অনুভৱ কৰিছিল — তাৰ ভিতৰৰ আচল মানুহটোৰ ইতিমধ্যে মৃত্যু হৈছে ।

প্ৰশ্ন ৯। “ আচলতে মন গ'লেই সুখী হ’ব পাৰি জান । ” — কি প্ৰসংগত নিৰ্মলে সিদ্ধাৰ্থক এনেদৰে কৈছিল — বুজাই লিখা ।

উত্তৰঃ সিদ্ধাৰ্থই তাৰ মনৰ সকলো দুখ আৰু হতাশাৰ কথা , ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ সি নিচাসক্ত হোৱাৰ কথা , ড্ৰাগছ সেৱন কৰা , এইবোৰ খাবলৈ অভাৱত পৰি পইচা চুৰি কৰাৰ কথা — এই সকলো তাৰ অন্তৰংগ বন্ধু নিৰ্মলক মন খুলি ক'লে । ইয়াৰ পিছতে সি হুমুনিয়াহ কাঢ়ি ক'লে সি হয়তো ড্ৰাগছ সেৱন কৰি তাৰ মৰণ মাতিছে ।

তেতিয়া নিৰ্মলে তাক এনেদৰে ভাগি নপৰিবলৈ বাৰে বাৰে বুজনি দি মনটো ডাঠ কৰিবলৈ সাহস দিলে । নিৰ্মলে বুজনি দি তাক কৈছিল— “ আচল কথা কি জান ? মনটো ! তই কৈছিলি জীৱনটোৱে তোক প্ৰবঞ্চনা কৰিলে । জীৱনটোক ভাল পালে জীৱনটোৱে কেতিয়াও প্ৰবঞ্চনা নকৰে । ” মন গ'লেই প্ৰকৃতিৰ সকলো বস্তুকে ভাল পাব পাৰি । এইবোৰ ভাল পোৱা মানুহ কেতিয়াও অকলশৰীয়া নিঃস্ব নহয় , শূন্য নহয় । নিৰ্মলে কৈছিল । "আচলতে মন গ'লেই সুখী হ’ব পাৰি জান । ” নিৰ্মলে বুজাইছিল গল্প , উপন্যাস লিখিব নাজানিলেও মন গলেই তাক পঢ়ি তৃপ্ত হ’ব পাৰি , গান গাব নাজানিলেও মন গ'লেই গান শুনি অন্তৰত অপাৰ আনন্দ লাভ কৰিব পাৰি । আচল কথা হ’ল মন । মন কৰিলে অন্তৰত সকলো হতাশ , দুখ - বেদনা আঁতৰ কৰি জীৱনটো সুন্দৰ কৰি তুলিব পাৰি ।

প্ৰশ্ন ১০। ব্যাখ্যা কৰা :

( ক ) নোপোৱা মৰম পোৱাৰ আশাই যেন তাক দুৰ্বল আৰু অভিমানী কৰে ।

উত্তৰঃ উদ্ধৃত কথাফাকি ড ° মৃণাল কলিতাৰ 'যুঁজ' নামৰ গল্পটিৰ অন্তৰ্গত ।

সিদ্ধাৰ্থই যে বেয়া তথা ঘৃণনীয় কাম কৰিছে এইটো সত্য , এই সত্য কামটোৰ আঁৰত যে তাৰ এক কৰুণ সত্য কাহিনী সোমাই আছে এইটোও সত্য— এই কথা ক'বলৈকে এনেদৰে কোৱা হৈছে ।

সিদ্ধাৰ্থই লগৰীয়াৰ বেগৰ পৰা পইচা চুৰি কৰা , মাকৰ খাৰু চুৰি কৰা ইমান কম বয়সীয়া ল'ৰা এটাই চিগাৰেট হুপিবলৈ ধৰা , ড্ৰাগছ আসক্ত হোৱা , শিক্ষকৰ চকুলৈ চাই টান কথা কোৱা আদি অতি ঘৃণনীয় কাম । এই ঘৃণনীয় কাম যে সি কৰিছিল ই সত্য । কিন্তু সত্য ঘৃণনীয় কাম কৰাৰ আঁৰত তাৰ যে এটা কৰুণ কাহিনী আছে এই কথাও সত্য । সি বুজা হোৱাৰ পৰাই দেখি আহিছিল মাক দেউতাকৰ দুৰ্বাদল কাজিয়া , চিঞৰ বাখৰ গালি - গালাজ । সি বিব্ৰত আৰু হতাশ হৈ পৰিছিল । তাৰ পিছত সিহঁতক এৰি দেউতাক ক'ৰবালৈ গুচি যোৱাত , মাকৰ পৰাও পাবলগীয়া মৰম চেনেহ নোৱৰাত সি চাৰিওফালে কেৱল হতাশা আৰু শূন্যতাই দেখিবলৈ পালে । সেই কাৰণেই সি শান্তি পাবলৈকেই পাণ দোকানীজনৰ কু - পৰামৰ্শকে ভাল বুলি ভাবি এইবোৰ ঘৃণনীয় কাম কৰিছিল ।

( গ ) পাব লগীয়া মৰমবোৰ হেৰুৱাই এখন ভাগি যোৱা সংসাৰৰ সি হৈ পৰিছিল এটা বিদ্ৰোহী অথচ কৰুণ চিত্ৰ ।

উত্তৰঃ উদ্ধৃত কথাফাকি ড° মৃণাল কলিতা ৰচিত 'যুঁজ'গল্পটিৰ অন্তৰ্গত।এইকথাফাকিৰে সিদ্ধাৰ্থৰ এক কৰুণ চিত্ৰ দাঙি ধৰা হৈছে ।

সিদ্ধাৰ্থ বুজন হোৱাৰ পৰা দেখিছিল মাক - দেউতাকৰ মাজত দুৰ্বাদল কাজিয়া , চিঞৰ বাখৰ , গালি - গালাজ । তাৰ পিছতেই দেউতাকে সিহঁতক এৰি ক'ৰবালৈ গুচি গ'ল , যদিও সপ্তাহে পষকে স্কুল ছুটীৰ পিছত আহি তাক দেউতাকে লগ ধৰি চকলেট খাবলৈ দি যায়হি । সি তাত একেবাৰে আশ্বস্ত নহয় । আনহাতে মাকৰো তাৰ প্ৰতি মৰম আৰু মনোযোগ কমি গৈছিল । মাক - দেউতাকৰ মৰমৰ পৰা বঞ্চিত হৈ সি বৰ হতাশাত , মনোবেদনাত ভুগিছিল । সি হৈ পৰিছিল বেপৰোৱাভাৱে আক্ৰমাত্মক । হয়তো মাকৰ বিৰুদ্ধেও আছিল তাৰ তীব্ৰ আক্ৰোশ । সি পাবলগীয়া মৰমবোৰ হেৰুৱাই সিহঁতৰ ভাগি যোৱা সংসাৰখনত সি হৈ পৰিছিল এটা বিদ্ৰোহী চৰিত্ৰ । হলেও তাৰ এই বিদ্ৰোহী চৰিত্ৰত এক কৰুণ চৰিত্ৰও সোমাই আছে তাৰ কৰুণ অৱস্থাটোৰ কাৰণে ।

( ঘ ) সকলো মানুহৰেই জীৱনবোৰ একো একোখন যুঁজ ।

উত্তৰঃ উদ্ধৃত কথাফাকি ড° মৃণাল কলিতা ৰচিত 'যুঁজ' গল্পটিৰ অন্তৰ্গত । প্ৰতি মানুহেই যে জীৱনটো সুন্দৰ কৰি চলাই যাবলৈ কঠোৰ সংগ্ৰাম বা যুঁজ কৰিবলগীয়া হয় এই কথাকে ভুল পথেৰে বাট বুলি জীৱনটোৰ প্ৰতি বিশ্বাস হেৰুওৱা সিদ্ধাৰ্থক নিৰ্মলে কৈছিল ।

মাক - দেউতাকৰ মৰমৰ পৰা বঞ্চিত হৈ একেবাৰে ভাগি পৰা সিদ্ধাৰ্থই নিচাসক্ত হৈ শান্তি পোৱাৰ উদ্দেশ্যে পইচা চুৰি কৰা , মাকৰ খাৰু চুৰি কৰা আদি ঘৃণনীয় কামবোৰ কৰিছিল । সি হতাশাত ভুগিছিল , খিংখিঙীয়া , গহীন , বেপৰোৱা হৈছিল । জীৱনটোৱে তাক বঞ্চনা কৰা বুলি ভাবিছিল । তেতিয়া তাৰ অন্তৰংগ আপোন বন্ধু নিৰ্মলে তাক বুজাইছিল— জীৱনে কাকো বঞ্চনা নকৰে । মনটো ডাঠ কৰিলে জীৱনটো পুনৰ সুন্দৰ কৰিব পাৰিব । জীৱনটো চলাই যাবলৈ প্ৰতিজন মানুহেই যুঁজ কৰে , কঠোৰ সংগ্ৰাম কৰে । মন দৃঢ় হ'লে ডাঠ হলে এই যুঁজত কোনো নাহাৰে । প্ৰতিজন মানুহৰ যুঁজ বেলেগ বেলেগ হ'ব পাৰে । নিৰ্মলে কৈছিল সিয়ো তাৰ হৈ থকা জটিল ৰোগ এটাৰ লগত যুঁজি আছে । গতিকে নিৰাশ নহৈ , হতাশ নহৈ সিদ্ধাৰ্থক ভাল পথ লবলৈ নিৰ্মলে সাহস দিছিল ।

প্ৰশ্ন ১১। ' যুঁজ ' গল্পটোৰ শিৰোনামৰ তাৎপৰ্য বুজাই লিখা ।

উত্তৰঃ যুঁজ গল্পটোত এজন নিচাসক্ত কিশোৰৰ মনৰ জগতখন চিত্ৰিত কৰা হৈছে । সিদ্ধাৰ্থ নামৰ সংবেদনশীল কিশোৰজনে পাৰিবাৰিক কাৰণত নিঃসংগতা আৰু হতাশাত ভুগি ড্ৰাগছৰ আশ্ৰয় লৈছে । কিন্তু সেই অন্ধকূপৰ কৰা ওভতাই আনিবলৈ তাৰ আপোন বন্ধু নিৰ্মলে অহৰহ চেষ্টা কৰিছে , যুঁজ কৰিছে । নিৰ্মলৰ মৰম আৰু বন্ধুৰ প্ৰতি থকা দায়িত্ববোধে সিদ্ধাৰ্থক পোহৰৰ বাট দেখুৱাইছে , সৎস্তাৱে , সৎপথত জীয়াই থাকিবৰ বাবে মন ডাঠ কৰি যুঁজিবলৈ সিদ্ধাৰ্থক সাহস আৰু প্ৰেৰণা দিছে । নিচাসক্তি এখন যুঁজৰ দৰে । নিজৰ বিৰুদ্ধে যুঁজি মানুহে ইয়াৰ পৰা মুক্ত হ'ব পাৰে । সকলো মানুহৰেই জীৱনটো এখন যুঁজৰ দৰে , এই কথা গল্পটোত প্ৰতিপন্ন কৰিব বিচাৰিছে । গল্পটোত নিৰ্মলেও যুঁজিছে নিজৰ জটিল ৰোগৰ বিৰুদ্ধে । হৰা - জিকা পিছৰ কথা , কিন্তু যুঁজিবই লাগিব— এই বাৰ্তা গল্পটোৱে দিব বিচাৰিছে । এই কাৰণে গল্পটিৰ শিৰোনাম ‘ যুঁজ ’ সঠিক হৈছে ।

## **ভাষা বিষয়ক :**

প্ৰশ্ন ১২। ব্যাসবাক্যসহ সমাসৰ নাম লিখা—

মৃত্যুশীতল , অসহনীয় , অতল , অমীমাংসিত , বেপৰোৱা , অচিনাকি ।

উত্তৰঃ মৃত্যুশীতল – মৃত্যুৰ দৰে শীতল – কৰ্ম ধাৰয় সমাস ।

অসহনীয় – যাক সহিব নোৱাৰি – বহুব্ৰীহি সমাস ।

অতল – যাৰ তল নাই ( নাই তল যাৰ ) – বহুব্ৰীহি সমাস ।

অমীমাংসিত – নাই মীমাংসা যাৰ – বহুব্ৰীহি সমাস ।

বেপৰোৱা – যিয়ে পৰোৱাই নকৰে – বহুব্ৰীহি সমাস ।

অচিনাকি – নাই চিনাকি যাৰ – বহুব্ৰীহি সমাস ।

## প্ৰশ্ন ১৩। বাক্য ৰচনা কৰা –

উজাগৰ , অবাধ্য , অৱলম্বন , খেকুটা ।

উত্তৰঃ উজাগৰ – গোটেই নিশাটো উজাগৰে থাকি সি কামটো কৰিলে ।

অবাধ্য – পিতৃ - মাতৃৰ কোনো কথাতে সন্তান অবাধ্য হ'ব নালাগে ।

অৱলম্বন – শিক্ষা গুৰুৰ সজ উপদেশক অৱলম্বন কৰি জীৱন গঢ়িবা ।

খেকুটা – আনৰ বস্তুৰ প্ৰতি লোভ নকৰি সিবোৰক খেৰকুটা হেন জ্ঞান কৰিবা ।

## প্ৰশ্ন ১৪। সমাৰ্থক শব্দ লিখা—

নীৰৱতা , বিষাদ , প্ৰস্তৰ , একাকীত্ব , আন্ধাৰ ।

উত্তৰঃ নীৰৱতা – নিস্তব্ধতা ।

বিষাদ – বেজাৰ , দুখ ।

প্ৰস্তৰ – পাথৰ , শিল ।

একাকীত্ব – নিঃসংগ , অকলশৰীয়া ।

আন্ধাৰ – নিশা , তমসা ।